# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

---

অসম বিধানসভাৰ মাহজোৰা বাজেট অধিৰেশন ১৭ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। এইবাৰৰ বাজেট অধিৰেশনত মুঠ ১৪টা কৰ্মদিন থাকিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অধিৰেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী কোকৰাঝাৰত অনুষ্ঠিত হ'ব। ১৮ ফেব্ৰুৱাৰীত সদনৰ কাম-কাজ নাথাকিব। ১৯ ফেব্ৰুৱাৰীৰ পৰা বাজেট অধিৰেশনৰ পৰৱৰ্তী কাৰ্যসূচী দিছপুৰৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। ১৯ ফেব্ৰুৱাৰীত ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰা হ'ব। ১০ মাৰ্চত বিত্ত মন্ত্ৰী অজন্তা নেওগে ৰাজ্যখনৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত সদনত বাজেট বিতৰ্ক অনুষ্ঠিত হ'ব। ১৩ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ বাজেট অধিৰেশন বিৰতিত থাকিব। ২৪ মাৰ্চত বিত্ত মন্ত্ৰীয়ে ২০২৫-২৬ বৰ্ষৰ বাবে দাবী মঞ্জুৰি প্ৰস্তাৱ উত্থাপন কৰিব আৰু অসম বিনিয়োজন বিধেয়ক ২০২৫ উত্থাপন কৰিব। ২৫ মাৰ্চত সদনৰ বাজেট অধিৰেশনৰ সামৰণি পৰিব। উল্লেখযোগ্য যে কোকৰাঝাৰত হ'বলগীয়া অধিৰেশনৰ প্ৰথম দিনা বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীৰ উদ্যোগত অসমৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলসমূহৰ আৰ্থ সামাজিক আৰু সামগ্ৰিক উন্নয়ন বিষয়ক আলোচনা অনুষ্ঠিত হ'ব।

ooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিস্তৃত প্ৰসাৰ আৰু এই পদক্ষেপত বহিঃৰাষ্ট্ৰৰ পৰা সহযোগিতা লাভৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগমন্ত্ৰী কোগা য়ুইচিৰোক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে জাপানী প্ৰতিষ্ঠানৰ দ্বাৰা ব্যৱসায়িক উদ্যান স্থাপনৰ বাবে অসমৰ প্ৰস্তুতি সম্পৰ্কত আলোচনা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাপান চৰকাৰৰ কাৰিকৰী শিক্ষানবীছ প্ৰশিক্ষণ আৰু নিৰ্দিষ্ট দক্ষতা কৰ্মী কাৰ্যসূচীৰ বাবে পৰীক্ষা কেন্দ্ৰ স্থাপনৰ বিষয়ে বিবেচনা কৰিবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'ত অংশ লৈ দেশখনৰ আগশাৰীৰ উদ্যোগ আৰু ব্যৱসায় জগতৰ কাণ্ডাৰীসকলৰ সৈতে মত বিনিময় কৰে। এই মত বিনিময়ত মুখ্যমন্ত্ৰীয়ে অসমৰ আকৰ্ষণীয় অৰ্থনৈতিক বিকাশ আৰু ব্যৱসায়ৰ সূচলতা সন্দৰ্ভত আলোকপাত কৰে। ভাৰত-জাপান সম্পৰ্কত অসমৰ বিশেষ ভূমিকাক গুৰুত্ব প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ২০১৪ চনৰ তুলনাত অসমে অহা বছৰৰ ভিতৰত ইয়াৰ অৰ্থনীতি তিনিগুণ বৃদ্ধি কৰিবলৈ আগবাঢ়িছে। একক উইণ্ডো ব্যৱস্থা আৰু ৩ বিলিয়ন আমেৰিকান ডলাৰৰ উৎপাদন সংযোজনে অসমক বিনিয়োগৰ সুযোগৰ দিশত উজলাই তুলিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ooooo

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নলবাৰীত ১৮০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া কৰ্কট ৰোগ চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয়, যে টাটা প্ৰতিষ্ঠানৰ সহযোগত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ দ্বাৰা পৰিচালিত হবলগীয়া এই চিকিৎসালয়খনৰ

নিৰ্মাণকাৰ্য শীঘ্ৰে সম্পূৰ্ণ হৈ উঠিব আৰু ইয়াৰ ফলত জিলাখন তথা ইয়াৰ কাষৰীয়া অঞ্চলৰ ৰোগীসকল উপকৃত হ'ব। তেওঁ কয়, যে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ কৰ্মচাৰীসকলে ফেব্ৰুৱাৰীৰ পৰা ঘৰে ঘৰে গৈ ৰোগী অনাৰ ব্যৱস্থা কৰিব। আজিৰ অনুষ্ঠানত  নলবাৰী চহৰৰ সোণপুৰ অঞ্চলৰ ৫০ বছৰ বা তাতকৈ অধিক সময়ৰ বাবে বাস কৰি অহা পৰিয়ালসমূহক মাটিৰ দখলীস্বত্ত প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ইয়াৰ ফলত এই লোকসকলক চৰকাৰী আঁচনিৰ সুবিধা লাভৰ  বাবে আবেদন কৰিবলৈ যোগ্য হৈ উঠিব।

০০০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম পূৰ্ণাংগ অধিৱেশনখন অহা ৩১ জানুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰীলৈ বজালী জিলাৰ পাঠশালা নগৰৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত হ'ব। আজি অসম সাহিত্য সভাৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা প্ৰেক্ষাগৃহত আয়োজিত এখন সংবাদমেলত অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত পাঠশালা অধিৱেশনৰ প্ৰচাৰ উপ-সমিতিয়ে সবিশেষ তথ্য সদৰি কৰে। উপ-সমিতিখনৰ সভাপতি তথা প্ৰাক্তন বিধায়ক মনোৰঞ্জন দাসে সংবাদমেলত কয়, যে অধিৱেশনৰ প্ৰথম দিনা পুৱা নামঘৰৰ দ্বাৰ মুকলি, ভট্টদেৱ ক্ষেত্ৰ আৰু মূল তোৰণ উদ্বোধন, ভট্টদেৱৰ কথা সাহিত্য বিষয়ক লৈ সাহিত্য আলোচনা, মে-ডাম-মে-ফি উদযাপন, প্ৰতিনিধি শিবিৰ মুকলি আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। সেইদিনাই বিয়লি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভা আৰু সন্ধিয়ালৈ সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। অধিৱেশনৰ দ্বিতীয় দিনা অসম সাহিত্য সভাৰ মূল পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ সৈতে সংগতি ৰাখি পতাকা বেদীৰ প্ৰথম চক্ৰত ৭৭ খন পতাকা আৰু দ্বিতীয় চক্ৰত ১০৮ খন পতাকা উত্তোলন কৰা হ'ব। ইয়াৰ পাছতে স্মৃতি তৰ্পণ, ছহিদ তৰ্পণ, স্মৃতিগ্ৰন্থ আৰু অন্যান্য গ্ৰন্থ উন্মোচনী সভা, জনগোষ্ঠীয় সাহিত্য সন্মিলন, জাতীয় বৌদ্ধিক সন্মিলন আৰু সম্বৰ্ধনা অনুষ্ঠান, কবি সন্মিলন, প্ৰতিনিধি সভা, সাংস্কৃতিক সন্মিলন আদি অনুষ্ঠিত হ'ব। অধিৱেশনৰ তৃতীয় দিনা **ধ্ৰুপদী অসমীয়া ভাষা** শীৰ্ষক আলোচনা সত্ৰৰ পাছতে অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ বসন্ত গোস্বামীক লৈ এটা বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হ'ব। ইয়াৰ পাছতে দিনৰ ১ বজাৰ পৰা প্ৰথমখন মুকলি সভা অনুষ্ঠিত হ'ব। অধিৱেশনৰ চতুৰ্থ দিনা বুৰঞ্জী সন্মিলন, লোক সাংস্কৃতিক সমাৰোহ, মুকলি সভা, যুৱ সংসদ সাংস্কৃতিক সন্মিলন অনুষ্ঠিত হ'ব। অধিৱেশনৰ পঞ্চম তথা অন্তিম দিনা অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলন **আকাশ** শীৰ্ষক মহিলা প্ৰতিভা বিকাশৰ অনুষ্ঠান, নাট্য সন্মিলন, অসম সাহিত্য সভাৰ বিভিন্ন বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। সংবাদমেলত উদ্যোক্তাসকলে জনোৱা মতে অধিৱেশনত কোনোধৰণৰ বাণিজ্য মেলা অনুষ্ঠিত নহয়। ইয়াৰ পৰিৱৰ্তে বিজ্ঞান মেলা, গ্ৰন্থমেলা, প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। অধিৱেশনৰ সৈতে সংগতি ৰাখি দুখনকৈ ভ্ৰাম্যমান থিয়েটাৰ বিনামূলীয়াকৈ উপভোগ কৰাৰ ব্যৱস্থা থাকিব বুলি উদ্যোক্তাসকলে জনায়। এই অধিৱেশনথলীত স্থাপনৰ বাবে ৮৭ বৰ্গ ফুটৰ এটা বৃহৎ জাপি প্ৰস্তুত কৰি থকা হৈছে বুলি উদ্যোক্তা কয়, যে এই জাপিটোৰ জৰিয়তে লিমকা বুক অৱ ৰেকৰ্ডছ আৰু গীনিজ বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্তিৰ বাবে চেষ্টা চলোৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বহু বিশিষ্ট ব্যক্তিক এই অধিৱেশনলৈ আমন্ত্ৰণ জনোৱা হৈছে বুলি উদ্যোক্তাসকলে কয়।

০০০০০

সমাপ্ত